অধ্যায় ১০ ঃ খাদ্য সুৰক্ষা আৰু মানদণ্ড (পেকেটিং আৰু লেবেলিং) নিয়মাৱলী, ২০১১ (FOOD SAFETY AND STANDARDS (PACKAGING AND LABELLING) REGULATIONS, 2011)

অধ্যায় গাঁথনি (UNIT STRUCTURE)

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ চমু শিৰোনামা আৰু অনুষ্ঠিতকৰণ

১০.৪ আইনৰ অধীনৰ সংজ্ঞাসমূহ

১০.৫ সামগ্রী অনুযায়ী প্রয়োজনীয়তা

১০.৬ লেবেলিং

- ১০.৬.১ লেবেলিঙৰ সাধাৰণ নিয়মসমূহ
- ১০.৬.২ পূর্ব-পেকেজ খাদ্যৰ লেবেলিং

১০.৭ ঘোষণাৰ পদ্ধতি

- ১০.৭.১ সাধাৰণ নিয়মসমূহ
- ১০.৭.২ মুখ্য প্রদর্শনী ফলক

১০.৮ বিশেষ প্রয়োজনীয়তা/লেবেলিংৰ বিধি-নিষেধ

- ১০.৮.১ শিশু খাদ্য আৰু শিশুৰ গাখীৰৰ পৰিপূৰক খাদ্যৰ লেবেলিং
- ১০.৮.২ খোৱা তেল আৰু চর্বীজাত খাদ্যৰ লেবেলিং
- ১০.৮.৩ অনুমতিপ্রাপ্ত খাদ্যৰ ৰঙৰ লেবেলিং

১০.৯ সামগ্রীৰ লেবেলিংৰ কিছুমান বিশেষ বিধি-নিষেধ

১০.১০ লেবেলিংৰ ক্ষেত্রত দিয়া ৰেহাই

১০.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.১২ অধিক জানিবলৈ

১০.১৩ অগ্রগতিৰ খতিয়ান

১০.১৪ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আইনখনত ব্যৱহৃত বিভিন্ন শব্দ সম্পর্কে আলোচনা কৰিব পাৰিব
- পেকেটত আবদ্ধকৰণৰ বিভিন্ন নিয়ম সম্পর্কে আলোচনা কৰিব পাৰিব
- সামগ্রীৰ লেবেলত লগা বিভিন্ন প্রয়োজনীয় বিষয় সম্পর্কে ব্যাখ্যা কৰিব পাৰিব

- বিভিন্ন প্ৰকাৰৰ খাদ্য সামগ্ৰীৰ বাবে বিভিন্ন ধৰণে লেবেল লগোৱা বিভিন্ন পদ্ধতিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- সামগ্ৰীসমূহৰ লেবেলত থকা বিভিন্ন বিধি-নিষেধৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

১০.২ পৰিচয় (INTRODUCTION)

খাদ্যৰ পেকেজিং আৰু গ্ৰাহক সুৰক্ষাৰ মাজত থকা সম্পৰ্কটোৰ এটা সাংঘাতিক গুৰুত্ব আছে। এটা পেকেজ হৈছে নিৰাপদ আৰু গ্ৰাহকক সুৰক্ষিত, সতেজ আৰু খাদ্য প্ৰাণসম্পন্ন খাদ্য যোগান ধৰাৰ লক্ষ্যত উপনীত হোৱা। গ্ৰাহক আৰু সমাজক সুৰক্ষা দিয়াৰ বৃহত্তৰ স্বাৰ্থত চৰকাৰে পেকেজিং আইন আৰু নিয়মাৱলীবোৰ প্ৰচলন কৰিছে। ভাৰতীয় নিয়ামক তন্ত্ৰসমূহ বিভিন্ন মন্ত্ৰালয়ৰ দ্বাৰা তৈয়াৰ কৰা ধৰাবন্ধা নিয়মসমূহৰ দ্বাৰা আবৃত আৰু স্বেচ্ছামূলক মাপদণ্ডসমূহ বিভিন্ন সংস্থাৰ দ্বাৰা তৈয়াৰ কৰা হয়।

১০.৩ চমু শিৰোনামা আৰু অনুষ্ঠিতকৰণ SHORT TITLE AND COMMENCEMENT

এই নিয়মসমূহক খাদ্য সুৰক্ষা আৰু মানদণ্ড (পেকেটিং আৰু লেবেলিং), ২০১১ বুলি ক'ব পাৰি। ৫ আগষ্ট, ২০১১ চনৰ পিছৰ পৰা এই নিয়মসমূহ বলবৎ কৰা হৈছে।

১০.৪ আইনৰ অধীনৰ সংজ্ঞাসমূহ (DEFINITIONS UNDER THE ACT)

এই আইনৰ অধীনৰ শব্দসমূহৰ সংজ্ঞা হ'ল—

1. 'ইমানৰ আগতে ভাল হৈ থাকিব (Best Before) বুলি ক'লে সেইটো তাৰিখক বুজায় যিটোৱে সংগ্ৰহ কৰি থোৱা সামগ্ৰীৰ সংগৃহীত অৱস্থাৰ সময়সীমাক বুজায় যিটো অৱস্থাত সামগ্ৰীসমূহক বাণিজ্যত ব্যৱহাৰ কৰিব পাৰি আৰু সেই নিৰ্দিষ্ট তাৰিখ পাৰ হৈ যোৱাৰ পিছত খাদ্য সামগ্ৰীখিনি ভোগ কৰিব পৰা যাব পাৰে যদিও ইয়াৰ গুণাগুণৰ উপযুক্ততাৰ পৰিমাণ নোহোৱা হৈ যাব। যিয়েই নহওঁক, সংশ্লিষ্ট খাদ্যখিনি বিক্ৰী কৰিব পৰা নাযাব যদিহে যিবোৰে স্তৰত বস্তুটো নিৰাপদ নহয়।
2. 'তৈয়াৰৰ তাৰিখ' বুলিলে বৰ্ণনা কৰা ধৰণে খাদ্য সামগ্ৰীখিনি যেতিয়া সংশ্লিষ্ট তাৰিখত উৎপাদন কৰা হৈছে সেইটো বুজা যায়।
3. 'পেকেজিঙৰ তাৰিখ' বুলিলে সেইটো তাৰিখকেই বুজা যায় যিটো তাৰিখত খাদ্য সামগ্ৰীখিনি এটা পেকেটত ভৰোৱা হয় য'ত পিছত সামগ্ৰিকভাৱে সামগ্ৰীখিনি বিক্ৰী কৰা হ'ব।
4. 'পানী-কেঁচুৱা' বুলিলে এটা বাৰমাহ পূৰ্ণ নোহোৱা কেঁচুৱাক বুজা যায়।
5. 'গোষ্ঠী সংখ্যা' বুলিলে এটা সংখ্যা বুজায় যাৰ জৰিয়তে খাদ্য সামগ্ৰীখিনিৰ নিৰ্মাণত অনুকৰণ আৰু বিতৰণত চিনাক্ত কৰিব পাৰি।
6. 'বহুখণ্ডবিশিষ্ট গোট' বুলিলে এটা গোট য'ত দুটা বা ততোধিক এটা সামগ্ৰীৰেই বিভিন্ন খণ্ড গোট খাই থাকে যিটো খুচুৰা অথবা পাইকাৰী গোটক বুজায়।

7. 'আমিষ খাদ্য' বুলিলে এনেকুৱা এটা খাদ্য সামগ্ৰীৰ প্ৰকাৰক বুজায় য'ত জন্তুৰ বিশেষকৈ চৰাইৰ বা সাগৰীয় প্ৰাণীৰ বা কণী বা যিকোনো জন্তুৰ গোটেই বা কিছু অংশ সন্নিবিষ্ট হৈ থাকে কিন্তু গাখীৰ বা গাখীৰজাত দ্ৰব্যৰ অৱশেষ য'ত সন্নিবিষ্ট হৈ নাথাকে।

8. পূৰ্ব-পেকেজ খাদ্য বুলিলে এনেকুৱা খাদ্যক বুজায় যিটো এটা গোটত যিকোনো ৰূপত আবদ্ধ হৈ থাকে আৰু খাদ্যখিনি এনে ৰূপত থাকে যাতে বস্তুখিনি কোনো ধৰণে সালসলনি কৰিব নোৱাৰি আৰু যিটো গ্ৰাহকক বিক্ৰী কৰাৰ বাবে সম্পূৰ্ণ সাজু হৈ উঠে।
বিঃ দ্ৰঃ - 'পেকেজ (Package)' শব্দটো য'ত উল্লেখিত হৈ আছে তাত পেকেজ মানে পূৰ্ব-পেকেজ ৰূপত প্ৰস্তুত কৰা খাদ্য সামগ্ৰীক বুজায়।

9. 'মুখ্য প্ৰদৰ্শনী ফলক' বুলিলে এটা পেকেজৰ সেইটো অংশকহে বুজায় যিটো গ্ৰাহকে এটা স্বাভাৱিক আৰু গ্ৰাহকসুলভ পৰিৱেশত চাব বা পৰীক্ষা কৰিব পাৰে আৰু তাত কি কি বস্তুত আছে সেইটো জানিব পাৰে।

10. 'পাইকাৰী পেকেজ' বুলিলে যিটো পেকেজৰ ভিতৰত—
    (a) কিছুসংখ্যক খুচুৰা পেকেজ থাকে য'ত এনেকুৱা প্ৰথমে উল্লেখিত পেকেটবোৰ বিক্ৰী কৰাৰ মনসাৰে ৰখা হয়, এজন মধ্যভোগীৰে বিতৰণ কৰা হয়। আৰু এজনীয়া গ্ৰাহকক বিক্ৰী কৰাৰ ইচ্ছা দেখুওৱা নহয়; অথবা
    (b) এবিধ খাদ্য সামগ্ৰী এজন মধ্যভোগীক বৃহৎ পৰিমাণে বিক্ৰী কৰা হয় যাতে তেনে মধ্যভোগীয়ে সেই খাদ্য সামগ্ৰীখিনি সৰু সৰু পৰিমাণেৰে গ্ৰাহকক বিক্ৰী বিতৰণ বা গতাই দিব পাৰে।

১০.৫ সামগ্ৰী অনুযায়ী প্ৰয়োজনীয়তা PRODUCT SPECIFIC REQUIREMENTS

1. দুগ্ধ আৰু দুগ্ধজাত পণ্যৰ পেকেজকৰণৰ বাবে দৰকাৰী প্ৰয়োজনীয়তা (Packaging requirements for Milk and Milk Products)–
    (a) বটলিং বা টেমাসমূহত গৰম গাখীৰ বা গাখীৰ জাত পণ্যসমূহ ভৰাই সেইবোৰ প্ৰযুক্তিগত সহায়তাৰে কঢ়িয়াব লাগে আৰু টেমাসমূহ চীল কৰা স্বয়ংক্ৰিয় প্ৰক্ৰিয়া হ'ব লাগে।
    (b) মেৰিওৱা বা পেকেজকৰণ কোনো বস্তু দুগ্ধজাত পণ্যত পুনৰ ব্যৱহাৰ কৰা নহয়। অৱশ্যে, পুংখানুপুংখৰূপে পৰিষ্কাৰ আৰু পৰিশোধনৰ পিছত কিছুমান টেমা ব্যৱহাৰযোগ্য হ'ব পাৰে।
    (c) যিটো প্ৰতিষ্ঠানত খোৱা গাখীৰ অথবা পনীয়া গাখীৰ আধাৰিত দ্ৰব্যসমূহ ভৰোৱা হয় সেই ঠাইত সংশ্লিষ্ট দ্ৰব্যসমূহ ভৰোৱাৰ পিছতেই ছীল কৰিব লাগে আৰু ইয়াৰ বাবে এটা চিলিং উপক্ৰমৰ প্ৰয়োজন যাতে গাখীৰখিনি বাহ্যিক যিকোনো সংক্ৰমণৰ দ্বাৰা আক্ৰান্ত নহয়। চিলিং যন্ত্ৰটো এনেকৈ ডিজাইন কৰিব লাগিব যাতে এবাৰ টেমাটো খুলিলে খোলাৰ প্ৰমাণটো স্পষ্ট হয় আৰু পৰীক্ষা কৰাটো সহজ হয়।

(d) পেকেজ কৰাৰ পিছত লগে লগে দুগ্ধজাত পণ্যসমূহ জমা কৰি থোৱা কোঠাত ৰাখিব লাগে।

2. ফল আৰু শাক-পাচলিৰ উৎপাদিত সামগ্ৰীসমূহ পেকেজ কৰাৰ বাবে প্ৰয়োজনীয় নিয়মসমূহ (Packaging requirements for Fruits and Vegetables Products)–

(i) যিকোনো ফলজাতীয় উৎপাদনৰ বাবে আৰম্ভ কৰা প্ৰতিটো টেমা এনেকৈ ছীলবদ্ধ কৰিব লাগে যাতে অনুজ্ঞাপ্ৰাপ্ত সংখ্যা আৰু বিশেষ চিনাক্তকৰণ চিহ্ন কোনো ক্ষয়ক্ষতি নহয়, কাৰণ এই দুটা বস্তুত সংশ্লিষ্ট বটলৰ ওপৰ ভাগত থাকে।

(ii) প্ৰশংসৰিত ফল, ফলৰ ৰস আৰু পাচলিৰ ক্ষেত্ৰত গোটা বটল ব্যৱহাৰ কৰিব পাৰি য'ত সুবিধাজনক টিন প্লেট ব্যৱহাৰ কৰা হয়।

(iii) বটলত আবদ্ধ ফল, ফলৰ ৰস, পাচলিৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে বন্ধ ছীল ব্যৱহাৰ কৰা উচিত।

(iv) ফলৰ ৰস, গুড়ি, পানীয়, ঔষধ, বার্লি পানী আৰু আন জলপানৰ ক্ষেত্ৰত পৰিষ্কাৰ বটলত সুৰক্ষিত ছীলবদ্ধ কৰি পেকেজ কৰিব লাগে। এই উৎপাদিত সামগ্ৰীবোৰ যেতিয়া বৰফ হৈ থাকে তেতিয়া সুবিধা অনুসৰি কার্টনত আবদ্ধ কৰি বৰফৰ ৰূপত বিক্ৰী কৰিব লাগে। ফলৰ ৰস আৰু আঁহবোৰ কাঠৰ পিপাত আবদ্ধ কৰিব লাগে যেতিয়া ছালফাৰযুক্ত কৰা হয়।

(v) সুৰক্ষিত গোটবন্ধকৰণৰ বাবে জাম, জেলী আৰু আচাৰৰ বাবে নতুন গিলাচ, পৰিষ্কাৰ জাৰ, নতুন পাত্ৰ, বটল, চীনা জাৰ, এলুমিনিয়াম পাত্ৰ ব্যৱহাৰ কৰিব লাগে আৰু ইয়াক সুৰক্ষিতভাৱে ছীল কৰিব লাগে।

(vi) আচাৰৰ বাবে পৰিষ্কাৰ বটল, জাৰ, কাঠৰ পাত্ৰ, টিনৰ টেমা ব্যৱহাৰ কৰিব লাগে যিটোৰ বাবে ভিতৰত ২৫০ গজৰ পলিথিন লাইনিং বা অন্য সুবিধাজনক কেন ব্যৱহাৰ কৰিব লাগে।

(vii) বিলাহীৰ চচৰ বাবে পৰিষ্কাৰ বটলৰ আৱশ্যক। যদি এচিডিটি বা অম্লতা ০.৫% তকৈ বেছি নহয় তেতিয়া খোলা চেনিটাৰী কেন ব্যৱহাৰ কৰিব পাৰি।

(viii) শুকান ফল আৰু গুটিযুক্ত ফল আৰু শাক-পাচলি কাগজৰ বেগ বা মোনাটো গোটবন্ধ কৰিব পাৰি, তাৰোপৰি কাঠৰ বাকচ, নতুন টিনৰ পাত্ৰ, বটল, জাৰ, এলুমিনিয়াম বা আন সুবিধাজনক পাত্ৰও এই ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰি।

(ix) ফল আৰু শাক-পাচলিৰ পণ্যসমূহ কিছুমান অস্থায়ী গোটবদ্ধকাৰী সামগ্ৰীৰ গোটবদ্ধ কৰিব পাৰি যাৰ ভাল মানদণ্ড থাকে আৰু যিটো BIS ৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত।

3. পাত্ৰাবদ্ধ মাংসজাত পণ্যৰ গোটবদ্ধকৰণৰ বাবে লগা প্ৰয়োজনীয়তা **(Packaging requirements for Canned Meat Products)** —

(i) নতুন চেনিটাৰী পাত্ৰ এইক্ষেত্ৰত ব্যৱহাৰ কৰিব লাগে য'ত সুবিধাজনক প্লেট ব্যৱহাৰ কৰিব পাৰি। এই পাত্ৰবোৰ ভিতৰৰ পৰা ভালকৈ প্ৰলেপ দিব লাগে। সেইবোৰ পূৰ্ণ কৰাৰ পিছত বায়ুৰুদ্ধ অৱস্থাত ছীল কৰি বন্ধ কৰিব লাগে। যিটো প্ৰলেপ ব্যৱহাৰ কৰা হয় সেইটো ছালফুৰ নিৰোধক আৰু চৰ্বীত দ্ৰবণীয় নহয়।

(ii) গাহৰিৰ মাংস পাত্রত ভৰাবলৈ হ'লে সংশ্লিষ্ট পাত্রবোৰ খাব পৰা জিলেটিন, লার্ড বা শাক-পাচলি মেৰিওৱা কাগজেৰে পাত্রটোৰ ভিতৰত প্রলেপ সানিব লাগে। এই কামখিনি মাংসখিনি ভৰোৱাৰ আগতে কৰিব লাগে।

(iii) মাংসজাত পণ্যসমূহ বায়ুৰুদ্ধ অৱস্থাত পাত্রসমূহত আবদ্ধ কৰিব লাগে আৰু জমা কৰা তথা পৰিবহনত যাতে কোনো ক্ষতি নহয় সেইবাবে এনেকুৱা সতর্কতা পালন কৰিব লাগে।

4. **খোৱা পানীৰ বাবে প্রয়োজনীয় গোটবদ্ধকৰণৰ নিয়ম (পেকেটত থকা আৰু বিশুদ্ধ পানী দুয়োটাৰে ক্ষেত্রত)** Packaging requirements for Drinking Water (Both Packaged and Mineral Water)–

ইয়াক সদায় পৰিস্কাৰ, পৰিচ্ছন্ন, ৰং বিহীন স্পষ্ট আৰু হানি-বিঘিনি নঘটা বটল (টেমা আদিত ৰাখিব লাগে যিটো পলিথিন (PE) (Corforing to IS : 10146 or Polyvinyl Chloride (Pvc) Conforming to IS : 10151 or Polyalkylene terephthalate (PET and PBT) IS : 12252 বা পলিপ্রোপিলিন বা IS : 10910 বা ফুডগ্রেড পলিকার্বনেট বা বীজাণুযুক্ত গিলাচৰ বটলত আবদ্ধ কৰিব লাগে যিটো পানীত সংঘটিত যিকোনোধৰণৰ বিক্রিয়াৰ প্রতিহত কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্রশ্ন নং ১ঃ মুখ্য প্রদর্শনী ফলকৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ২ঃ খোৱা পানী পেকেজিঙৰ বাবে প্রয়োজনীয় নিয়মসমূহ কি কি? উল্লেখ কৰক।

.....

.....

১০.৬ লেবেলিং (LABELLING)

১০.৬.১ লেবেলিংৰ সাধাৰণ নিয়মসমূহ (General Requirements of labelling)

1. যিকোনো আগতীয়াকৈ গোটবদ্ধ কৰা খাদ্যৰ এটা লেবেল থাকে য'ত বস্তুটোৰ বিষয়ে নামসহ কিছুমান তথ্য থাকে।
2. এই আইনৰ অন্তর্গত নিয়মাৱলীসমূহৰ বিৱৰণ দিয়াৰ ক্ষেত্রত লেবেলসমূহক

ব্যৱহাৰ কৰা হয়। লেবেলৰ ভাষাসমূহ ইংৰাজী বা হিন্দী দেৱনাগৰী আখৰত লিখা হ'ব লাগে। এই লেবেলত এই আইন অনুসৰি অন্য ভাষা প্ৰয়োগ কৰিব নালাগে।

3. আগতে পেকেজ কৰা খাদ্যসমূহৰ ক্ষেত্ৰত লেবেলত কেতিয়াও মিছা তথ্য পৰিৱেশন কৰিব নালাগে। ইয়ে সামগ্ৰীবিধৰ গুণাগুণৰ ক্ষেত্ৰত সন্দেহৰ সৃষ্টি কৰিব পাৰে।
4. আগতে পেকেজ কৰা খাদ্যসমূহৰ ক্ষেত্ৰত লেবেলবোৰ এনেকুৱাভাৱে লগাব লাগে যাতে সেইবোৰ মূল পেকেজৰ পৰা আঁতৰি নাযায়।
5. লেবেলৰ ওপৰত লিখা আখৰবোৰ স্পষ্ট, গোট গোট আৰু গ্ৰাহকে সাধাৰণ অৱস্থাত পঢ়িব পৰা আৰু কিনোতে তথা ব্যৱহাৰ কৰোঁতে বুজি পোৱা ধৰণৰ হ'ব লাগে।
6. য'ত এটা গোট কাগজেৰে আবৃত কৰা হয় তাত মেৰিওৱা কাগজখিনিত সকলো দৰকাৰী তথ্য সামগ্ৰীবিধৰ উলবদ্ধ হোৱা ধৰণৰ হোৱা উচিত আৰু বাহিৰৰ মেৰিওৱা কাগজখিনিটো তথ্যসমূহ সন্নিবিষ্ট হৈ থকা উচিত আৰু এইবোৰ যাতে বিনষ্ট নহয় সেয়াও লক্ষ্য ৰাখিব লাগে।

১০.৬.২ পূৰ্ব-পেকেজ খাদ্যৰ লেবেলিং (Labelling of Pre-packaged Foods)

সাধাৰণ লেবেলিং প্ৰয়োজনীয়তাৰ উপৰিও প্ৰত্যেক গোটবদ্ধ খাদ্য সামগ্ৰীৰ লেবেলত তলত দিয়া কথাকেইটা মানি চলিব লাগে —

1. **খাদ্যৰ নাম (The Name of Food) ঃ** খাদ্যৰ নামত ব্যৱসায়ৰ নাম অথবা গোটটোত সন্নিবিষ্ট খাদ্যৰ বিৱৰণ সন্নিবিষ্ট কৰি ৰাখিব লাগে।
2. **উপকৰণৰ তালিকা (List of Ingredients) ঃ** একক উপকৰণৰ খাদ্যৰ বাহিৰে উপকৰণৰ তালিকাখন লেবেলত তলত দিয়াৰ নিচিনাকৈ দিব লাগে।
   (a) উপকৰণৰ তালিকাখনৰ ওপৰত এটা শীৰ্ষক থাকিব লাগে। যেনে— 'উপকৰণসমূহ।
   (b) পণ্যবিধত ব্যৱহাৰ হোৱা সকলো উপকৰণৰ নাম ওপৰৰ পৰা তললৈ সিহঁতৰ ওজন আৰু মিলোৱাৰ মাত্ৰাৰ পৰিমাণ অনুসৰি সামগ্ৰীবিধ উৎপাদনৰ সময়ছোৱাত ওপৰৰ পৰা তললৈ লিপিবদ্ধ কৰিব লাগে।
   (c) এটা বিশেষ নাম উপকৰণসমূহৰ নামৰ তালিকাৰ ক্ষেত্ৰত দিব লাগে।
   (d) য'ত এটা উপকৰণৰ লগত আন দুই বা ততোধিক উপকৰণ জড়িত হৈ থাকে এনেকুৱা মিশ্ৰ উপকৰণৰক উপকৰণৰ তালিকাত অন্তৰ্ভুক্ত কৰিব লাগে আৰু বন্ধনীৰ ভিতৰত মিশ্ৰ উপাদানসমূহৰ তালিকা সিহঁতৰ ওজন আৰু সংখ্যা অনুযায়ী তলৰ পৰা ওপৰলৈ বহুবাৰ লাগে। কথাটো এনেধৰণৰ হ'ব— য'ত এটা মিশ্ৰ উপাদান কোনো এবিধ খাদ্যত পাঁচ

শতাংশতকৈ কমত থাকে তেন্তে মিশ্র উপাদানৰ তালিকাত এই বস্তুটোৰ উল্লেখ কৰিব নালাগে।

(e) সংযুক্ত পানীক উপাদানৰ তালিকাত অন্তর্ভুক্ত কৰিব পাৰিব কিন্তু য'ত পানীও এটা উপাদান হয় যেনে— পানীয়, ঔষধ বা জোলজাতীয় উপাদান যিবোৰ মিশ্র খাদ্যৰ অন্তর্ভুক্ত আৰু সেইবাবে উপাদানৰ তালিকাত অন্তর্ভুক্ত কৰিব লাগে। পানী বা আন অস্থায়ী উপাদানসমূহক পণ্য তৈয়াৰ কৰাৰ সময়ত নোহোৱা কৰি পেলোৱা হয় আৰু সেইবোৰক ঘোষিত কৰিব নালাগে। অৱশ্যে গোটা খাদ্যৰ ক্ষেত্রত যিবোৰ পানী সংলগ্ন কৰি পুনঃ প্রস্তুত কৰা হয় তেনে খাদ্যৰ উপাদানসমূহ তলৰ পৰা ওপৰলৈ ওজন অনুসৰি ঘোষিত কৰিব লাগে আৰু এটা উক্তি উল্লেখ কৰিব লাগে যে, 'পণ্যবিধৰ উপাদানসমূহ যেতিয়া প্রস্তুত কৰা হৈছিল তেতিয়া লেবেলত উল্লেখিত বিধিসমূহ মানি চলি প্রস্তুত কৰা হৈছে'।

(f) প্রতিটো পেকেজৰেই খাদ্যসমূহ মিশ্র হিচাপে বিক্রী কৰা হয় আৰু ইয়াত মিশ্রসমূহৰ উপাদানৰ পৰিমাণ শতাংশ হিচাপত খাদ্য প্রস্তুতৰ সময়ত উল্লেখ কৰিব লাগে। (ইয়াত মিশ্র উপাদানসমূহ বা উপাদানসমূহৰ শ্রেণী উল্লেখ কৰিব লাগিব) যদি এনেকুৱা উপাদানসমূহ—

(i) শব্দ, ছবি আৰু গ্রাফিক্সৰ জৰিয়তে পণ্যৰ লেবেলত উপকৰণসমূহৰ বিষয়ে উল্লেখ কৰিব লাগে।

(ii) খাদ্যত নাথাকিলেও কিন্তু খাদ্যবিধক দেখুৱাবৰ বাবে উপাদানবিধ প্রয়োজনীয় আৰু গ্রাহকেও খাদ্যত উপাদানবিধ থকাটো বিচাৰে আৰু যদি সংশ্লিষ্ট খাদ্যত এই উপাদানবিধ গ্রাহকে থকাটো বিচাৰে আৰু গ্রাহকে যদি সংশ্লিষ্ট খাদ্যত উপাদানবিধ নাপায় তেতিয়া গ্রাহক অসন্তুষ্ট হয়।

য'ত উপাদানসমূহ সুগন্ধি দ্রব্য হিচাপে ব্যৱহৃত হয় তাত উপাদানসমূহৰ বিষয়ে উল্লেখ কৰিব নালাগে।

য'ত লেবেলত গড় ওজনৰ উল্লেখ আছে বা এই আইনৰ অধীনত য'ত এনেকুৱা খাদ্যৰ কিছুমান বিশেষ নিয়ম আছে বা য'ত গ্রাহকৰ জ্ঞাতার্থে বা ব্যৱহাৰৰ বাবে চিত্রৰ জৰিয়তে প্রকাশ কৰা হয় তাত এনেকুৱা উপাদানৰ প্রয়োজন নহয়।

ইয়াৰোপৰি, বটলত থকা পানীয় গাখীৰ বা আন পানীয়ত য'ত গাখীৰ উপাদান হিচাপে থাকে, শীতল পানীয়, কার্বন পানী ফলৰ ৰস আদিত উপাদানসমূহৰ বিষয়ে বটলৰ শীর্ষত উল্লেখ থাকিব লাগে।

3. পুষ্টিজনিত তথ্য (Nutritional information) ঃ পুষ্টিজনিত তথ্যসমূহ প্রতি ১০০ গ্রাম বা ১০০ মিলিলিটাৰ বা প্রতিজনৰ বাবে প্রস্তুত কৰা পণ্যৰ লেবেলত তলত কথাখিনিৰ উল্লেখ থাকিব লাগে—

(i) পুষ্টি বা শক্তিৰ মূল্য Kcal ত।

(ii) প্ৰ'টিন, কার্বহাইড্ৰেট (চেনীজাতীয় তথ্য) আৰু চর্বীক গ্ৰাম () বা মিলিলিটাৰত উল্লেখ থাকিব লাগে।

(iii) আন যিকোনো পুষ্টিকাৰক তথ্যৰ উল্লেখ থাকিব লাগে যাৰ বাবে পুষ্টি বা স্বাস্থ্য সম্পৰ্কীয় দাবী কৰিব পাৰি।

য'ত এটা দাবী কৰা হয় যে চর্বী জাতীয় অম্ল বা কলষ্ট'ৰেল, চর্বীজাতীয় অম্ল, মনকটুৰড চর্বী অম্ল আৰু প'লিআনচেটুৰড চর্বী অম্লক গ্ৰাম আৰু কলষ্টেৰলক মিলিগ্ৰামত জুখি লোৱা হয় সেইবোৰক ঘোষিত কৰিব লাগে আৰু ট্ৰেন্স চর্বীজাত অম্লক গ্ৰামত জুখি লৈ ঘোষণা কৰিব লাগে আৰু ইয়াৰ লগতে প্ৰয়োজনীয় আন নিয়মসমূহো উল্লেখ কৰিব লাগে তলত দিয়াৰ নিচিনাকৈ—

(iv) য'ত সংখ্যাগত তথ্যসমূহ ভিটামিন বা মিনাৰেলৰ লগত জড়িত সেইবোৰ মেট্ৰিক জোখত প্ৰকাশ কৰিব লাগে।

(v) য'ত প্ৰতিজন মানুহৰ বিপৰীতে পুষ্টিজনিত তথ্যসমূহ প্ৰকাশ কৰা হয় সেই তথ্যসমূহ গ্ৰাম বা মিলিলিটাৰত প্ৰকাশ কৰিব লাগে আৰু সেইবোৰ ঘোষণা কৰিব লাগে আৰু ইয়াৰ উপৰিও পণ্যবিধৰ পৰিৱেশনাৱলীও প্ৰচাৰ কৰিব লাগে। ইয়াৰ জৰিয়তে খাদ্যবিধত থকা পুষ্টিজনিত তথ্য যেনে— মিনাৰেল, প্ৰ'টিন, খাদ্যপ্ৰাণ, ধাতু আৰু যৌগ, এমিনো এচিড আৰু শক্তিবর্ধক উপাদানসমূহৰ তথ্য লেবেলত উল্লেখ থাকিব লাগে। ইয়াৰ জৰিয়তে—

(ক) পুষ্টিজনিত তথ্যসমূহ প্ৰয়োজনীয় নহ'বও পাৰে বিশেষকৈ কেঁচা কৃষিজাত সামগ্ৰী যেনে— ঘেঁহু, ধান, মাহজাতীয় শস্য, মচলা, ভেষজ উদ্ভিদ, নিমখ, চেনী বা পুষ্টিবিহীন খাদ্য পণ্য যেনে— চাহ, কফি, বিশেষধৰণৰ কফি, কফীজাত মিক্সাৰ, পেকেজত থকা পানী, পেকেজত থকা বিশুদ্ধ পানী, এলকোহলিক খাদ্যপণ্য বা ফল আৰু বিপাছলি, আগতে তৈয়াৰী আৰু পেকেজজাত কৰা শাক-পাচলি, ফল, পাচলি আৰু একক উপকৰণেৰে প্ৰস্তুত কৰা আচাৰ, পাপৰ বা যিবোৰ খাদ্য লগে লগে পৰিৱেশনৰ বাবে চিকিৎসালয়, হোটেল বা ৰাস্তাৰ কাষৰ হকাৰৰ দ্বাৰা যিবোৰ খাদ্য তৈয়াৰ কৰা হয় তাত পুষ্টিজনিত তথ্য প্ৰচাৰৰ প্ৰয়োজন নহয়।

(খ) প্ৰচলিত নিয়ম অনুসৰি লেবেলত পুষ্টিজনিত দ্ৰব্যসমূহৰ পৰিমাণ উল্লেখ কৰিব লাগে।

ব্যাখ্যা — এই নিয়মমতে বিশ্লেষণৰ সময়ত বিবেচনাযোগ্য বিষয়, জীৱনৰ ওপৰত ভিত্তি, ভঁড়ালকৰণ আৰু খাদ্যৰ নিজস্ব গুণ

সম্পর্কত ধ্যান দিব লাগে যাতে পুষ্টিজনিত দ্রব্যৰ গুণাগুণ গম পোৱা যায়।

(গ) সেইবোৰ খাদ্য যিবোৰত হাইড্রজেনেটডৰ পাচলিজাত চর্বী বা বেকাৰীজাত কামৰ প্রয়োজন হয় তাৰ লেবেলবোৰৰ 'হাইড্রজেনেটেড শাক-পাচলিজাত চর্বী বা বেকাৰীৰে পৰিপূর্ণ ট্রেন্স চর্বীসম্পন্ন' বুলি উল্লেখ থাকিব লাগে। এইখিনিতে আৰু এটা উল্লেখযোগ্য কথা হ'ল যে এটা স্বাস্থ্যসন্মত আইনী দাবী কৰিব পাৰি যেতিয়া ট্রেন্স চর্বীটো ০.২ গ্রামতকৈ প্রতিটো পৰিৱেশনবোৰ খাদ্যত কম থাকে আৰু 'ডেটুৰেটেড চর্বী মুক্ত' দাবী কৰিবলৈ হ'লে খাদ্যত ০.১ গ্রাম প্রতি ১০০ গ্রাম আৰু ১০০ মিলি খাদ্যত থকা হ'ব লাগিব।

4. নিৰামিষ আৰু আমিষ খাদ্যৰ নিয়মসমূহ **(Declaration regarding Veg or Non veg)** —

(i) 'আমিষ' খাদ্যৰ প্রতিটো পেকেজতেই এটা ঘোষণা থাকবি লাগে আৰু সেয়া হৈছে ইয়াৰ এটা প্রতীক আৰু ৰঙৰ সংখ্যা যিটোৱে খাদ্যটো যে আমিষ সেয়া বুজাব। প্রতীকটো মুগা ৰঙেৰে চিহ্নিত এটা বৃত্তৰ ভিতৰত চিহ্নিত কৰিব লাগে আৰু ইয়াৰ ব্যাসার্ধ আইনানুসৰি হোৱাটো উচিত।

(ii) যিকোনো খাদ্যতে যিবোৰত কণী আমিষ হিচাপে জড়িত থাকে, খাদ্য নির্মাতা, বিক্রী কৰোঁতাই সংশ্লিষ্ট প্রতীকৰ ওপৰত ৰায় দিব পাৰে।

(iii) নিৰামিষ খাদ্যৰ প্রতিটো পেকেটতে এটা প্রতীকৰ জৰিয়তে আৰু ৰঙৰ সংখ্যাৰ দ্বাৰাই নিৰামিষ খাদ্যক সূচোৱা হয়। এই খাদ্যৰ প্রতীকত এটা সেউজীয়া বৃত্ত অংকিত কৰা থকা হ'ব লাগিব আৰু ইয়াৰ ব্যাসার্ধ তলত দিয়া তালিকাৰ জোখমতে হ'ব লাগিব। ব্যাসার্ধ দুগুণ হ'ব লাগিব।

(iv) প্রতীকৰ জোখ —

ক্রমিক নং	পেনেল প্রদর্শনৰ ঠাইৰ কালি	ব্যাসার্ধৰ নিম্নতম জোখ
1.	100 বর্গ ছেঃ মিঃ	3
2.	100 বর্গ ছেঃ মিঃৰ পৰা	4
3.	500 বর্গ ছেঃ মিঃ 500 বর্গ ছেঃমিঃৰ পৰা	6
4.	2500 বর্গ ছেঃমিঃ লৈকে	8

প্রতীকত উল্লেখ থাকিব লগা কথাসমূহ—

(i) মুখ্য প্রদর্শিত পেনেলৰ ক্ষেত্রত এটা উজ্জ্বল পশ্চাদপট পেকেটৰ ওপৰত থাকিব লাগে।

(ii) পণ্যৰ নাম বা সংশ্লিষ্ট গোষ্ঠীৰ নামৰ ওচৰত প্রতীক থাকিব লাগে।

(iii) লেবেলৰ ওপৰত, বৈয়ামত, প্ৰচাৰ পুস্তিকা, যিকোনো প্ৰচাৰ-মাধ্যমৰ বিজ্ঞাপনত প্ৰতীক অংকিত থাকিব লাগে।

আমিষ আৰু নিৰামিষ খাদ্য-পণ্যৰ ক্ষেত্ৰত প্ৰযোজ্য নিয়মসমূহ বিশুদ্ধ পানী বা পেকেজযুক্ত খোৱা পানী আৰু কাৰ্বনযুক্ত পানী বা এলকহলযুক্ত পানীয় বা পনীয়া গাখীৰ আৰু গাখীৰজাত পাউদাৰ আদিৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

5. খাদ্যত সংযোগ কৰা উপাদানসমূহৰ নিয়মাৱলীসমূহ **(Declaration regarding Food Additives) :**

খাদ্যত সংযোজিত উপাদানৰ ক্ষেত্ৰত উপাদানসমূহৰ শ্ৰেণী বিভাগসমূহ এখন তালিকাভুক্ত কৰিব লাগে আৰু সেই তালিকাত সেইবোৰ উপাদানহে ৰাখিব লাগে যিবোৰ খাদ্যত সংযোজিত কৰিব পাৰি। তলত উল্লেখিত শ্ৰেণীবিভাগসমূহ একেলগে ব্যৱহাৰ কৰিব লাগে কিছুমান বিশেষ নামৰ দ্বাৰা বা স্বীকৃতিপ্ৰাপ্ত আন্তৰ্জাতিক সংখ্যাগত চিহ্নৰ জৰিয়তে। সেইবোৰ হ'ল— এচিডিটি ৰেগুলেটৰ, এচিড, এণ্ট কেকিং এজেণ্ট, এণ্টিফোমিং এজেণ্ট, এণ্টিঅক্সিডেণ্ট, বাল্কিং এজেণ্ট, ৰং কালাৰ বিটেনচন এজেণ্ট, এম্ভলছিফিয়াৰ, এম্ভলছিফাইং নিমখ, ফার্মিং এজেণ্ট, ফ্লোৰ ট্ৰিটমেণ্ট এজেণ্ট, সুগন্ধ বৃদ্ধি কৰোঁতা, ফোষিং এজেণ্ট, জেলিং এজেণ্ট গ্লেজিং এজেণ্ট, হিউমেকটেণ্ট, প্ৰিজাৰভেটিভ, প্ৰোপেলাণ্ট, ৰেইজিং এজেণ্ট, ষ্টেবিলাইজাৰ, চুইটেনাৰ, থিকেনাৰ।

6. নিৰ্মাণ কৰোঁতাৰ সম্পূৰ্ণ নাম ঠিকনা **(Name and complete address of the manufacturer)** ঃ

(i) প্ৰত্যেক খাদ্যৰ পেকেটত নিৰ্মাণ কৰোঁতাৰ নাম আৰু সম্পূৰ্ণ ঠিকনা দিব লাগে আৰু নিৰ্মাণকাৰী গোটসমূহ যদি বেলেগ বেলেগ ঠাইত অৱস্থিত আৰু নিৰ্মাণ কৰোঁতাই যদি পেকেট আৰু বটলিং নকৰে তেন্তে সংশ্লিষ্ট পক্ষই এই সকলোবোৰৰে নাম খাদ্যৰ পেকেটৰ লেবেলত উল্লেখ কৰিব লাগে।

(ii) যেতিয়া এজন ব্যক্তি বা এটা কোম্পানীক এবিধ খাদ্য আন নিৰ্মাণ কৰোতা বা কোম্পানীৰ লিখিত অনুমতিমৰ্মে তেখেতৰ অধীনত বা ইয়াৰ ব্ৰেণ্ডৰ নামৰ অধীনত নিৰ্মাণ বা পেকিং বা বটলিং কৰে তেন্তে ইয়াৰ লেবেলত ইয়াৰ নাম আৰু নিৰ্মাণ কৰোঁতা বা পেকিং বা বটলিং গোটৰ নাম আৰু সম্পূৰ্ণ ঠিকনা সন্নিবিষ্ট কৰিব লাগিব যাতে কাৰ অধীনত ইয়াক নিৰ্মাণ বা পেকিং বা বটলিং কৰা হৈছে সেয়া ৰাইজে জানিব পাৰে।

(iii) কোনো এবিধ খাদ্য সামগ্ৰী ভাৰতলৈ আমদানি হৈ আহিছে নে নাই সেয়া সংশ্লিষ্ট খাদ্যৰ পেকেটত আমদানিকৰ্তাৰ সম্পূৰ্ণ নাম-ঠিকনাসহ সন্নিবিষ্ট হৈ থাকিব লাগিব।

ইয়াৰোপৰি যিকোনো খাদ্য ভাৰতৰ বাহিৰত তৈয়াৰী হয় নে নহয় সেয়া ভাৰতত পেকিং বা বটলিং কৰা হৈছে নে নাই সেয়া খাদ্যৰ পেকেটৰ লেবেলত উল্লেখ থাকিব লাগিব, খাদ্য সামগ্ৰীবিধৰ মূল জন্ম দেশখনৰ নামৰ লগতে আমদানিকৰ্তাৰ নাম আৰু সম্পূৰ্ণ ঠিকনা আৰু ভাৰতৰ ক'ত বেকিং আৰু বটলিং কৰা হৈছে তাৰো সম্পূৰ্ণ ঠিকনা লেবেলত উল্লেখ কৰিব লাগিব।

7. গড় পৰিমাণ **(Net quantity) :**

(i) প্ৰত্যেক খাদ্যৰ পেকেটত গড় পৰিমাণ ওজন, সংখ্যাৰ জৰিয়তে উল্লেখ কৰিব লাগিব।

(ii) গড় পৰিমাণ গোষণা কৰোঁতে পানীয় খাদ্যৰ ক্ষেত্ৰত পাতল উপাদানৰ ওজনৰ কথা ক'ব লাগিব।

ব্যাখ্যা ১ ঃ 'পানীয় মাধ্যমত' পানী সঠিক মাত্ৰাত চেনী আৰু নিমখৰ পৰিমাণ ফল আৰু পাচলিৰ ৰস বা ভিনেগাৰ এককভাৱে বা সংযুক্তভাৱে ৰাখিব লাগে।

ব্যাখ্যা ২ ঃ গড় পৰিমাণৰ কথা কওঁতে খাদ্যৰ পেকেজৰ মেৰিওৱা কাগজৰ ওজন আৰু পেকেজিং কৰা বস্তুক বাদ দিব লাগিব।

(iii) য'ত এটা পেকেজত বেকাৰী জাতীয় সৰু সৰু শুকান খাদ্যৰ বৃহৎ পৰিমাণ সংগ্ৰহ কৰা হয় তেতিয়া ইয়াৰ প্ৰত্যেকটোৱে পৃথকভাৱে মেৰিওৱা হৈছে আৰু ই সামগ্ৰীবিধৰ গড় ওজনৰ পৰা পৃথক কৰাটোক সঠিক বুলি নকয়। এনেধৰণৰ বেকাৰী জাতীয় শুকান খাদ্যৰ গাত মেৰিওৱা কাগজবোৰৰ ওজন বস্তুৰ মুঠ ওজনতকৈ তলত দিয়া ধৰণে বেছি হ'ব নালাগিব—

(ক) আঠ শতাংশ, য'ত এনেকুৱা মেৰিওৱা কাগজবোৰ মমৰ কাগজ হয় আৰু অন্য কাগজত মম বা এলুমিনিয়ামৰ প্ৰলেপ মেৰিওৱা হয় আৰু,

(খ) ছয় শতাংশ, অন্য কাগজৰ ক্ষেত্ৰত গোটেই বেকাৰিজাত খাদ্য সামগ্ৰীখিনি যিখিনি পেকেজত আছিল তাৰ গোটেইখিনি গড় ওজন তাৎক্ষণিকভাৱে লগোৱা কাগজখিনিতকৈ ছয় শতাংশ বিয়োগ হ'ব।

8. সংখ্যা চিনাক্তকৰণ **(Lot/Code/Batch identification) :**

এটা গোট নম্বৰ বা কোড নম্বৰ যিটো চিনাক্তকৰণৰ এটা উপায় যাৰ জৰিয়তে উৎপাদিত অৱস্থাত খাদ্যসমূহ চিনিব পাৰি আৰু বিতৰণৰ সময়ত চিনাক্ত কৰি ৰাখিব পাৰি, এই সংখ্যাটো সেয়েহে খাদ্যৰ পেকেটৰ লেবেলত ছপা কৰি ৰাখিব লাগে। পাওৰুটি আৰু গাখীৰৰ ক্ষেত্ৰত ষ্টেৰিলাইজড গাখীৰকে ধৰি কিছুমান

সামগ্রী এই ক্ষেত্রত ব্যতিক্রম, এইবোৰৰ লেবেলত এনেকুৱা সংখ্যা ছপা কৰাৰ কোনো নির্দেশনা নাই।

9. তৈয়াৰ কৰাৰ তাৰিখ **(Date of manufacture or packing)** ঃ

যিটো মাহ, তাৰিখ আৰু বছৰত সামগ্রীবিধ তৈয়াৰ কৰি গোটবদ্ধ কৰা হৈছিল সেই তাৰিখৰ কথাটো লেবেলত উল্লেখ কৰিব লাগে। মাহ আৰু বছৰৰ সংখ্যাটো পণ্যসমূহৰ লেবেলৰ আগত তিনি মাহৰ বেছি হ'লে 'ইমান তাৰিখৰ আগতে ভাল হৈ থাকিব' কথাষাৰিৰ বাবে উল্লেখ কৰিব লাগে। ইয়াৰোপৰি যিবোৰ পণ্য ক্ষণস্থায়ী আৰু যাৰ স্থায়িত্ব তিনি মাহতকৈ কম সেইবোৰ পণ্যৰ তৈয়াৰী তাৰিখ, মাহ, বছৰ আদি সংশ্লিষ্ট পণ্যৰ লেবেলত উল্লেখ কৰিব লাগে।

10. ইমান তাৰিখৰ আগত আৰু ইমান তাৰিখৰ পিছত ব্যৱহাৰ কৰা তাৰিখ **(Best Before and Use By Date)** ঃ

(i) বৰফলীয়া ইংৰাজী আখৰৰেৰে যিটো মাহ আৰু বছৰলৈকে পণ্যবিধ ভোগ কৰিব পাৰি তাক তলত দিয়া ধৰণে উল্লেখ কৰিব লাগে—

'ইমানৰ আগলৈকে ভালে থাকিব ..... মাহ আৰু বছৰ

বা

'ইমানৰ আগতে ভালে থাকিব ..... পেকেজিঙৰ মাহ

বা

'ইমানৰ আগতে ভালে থাকিব ..... তৈয়াৰী মাহ।

(বিঃ দ্রঃ - খালী ঠাই পূৰণ কৰিব)

(ii) পেকেজ বা বটলত থকা উচ্চ উষ্ণতাসম্পন্ন গাখীৰ, ছোয়া গাখীৰ, সুগন্ধিযুক্ত গাখীৰ, যিকোনো পেকেটত থকা পাওৰুটি, ঢোকলা, ভেলপুৰী, পিজ্জা, পিস্তা বাদাম, খোৱা পানীৰ বা যিকোনো বটলত নথকা ফলৰ পেকেট, পাচলি, মাংস, মাছ বা আন যিকোনো সামগ্রীৰ ক্ষেত্রত ঘোষণাটো এনেকুৱা হ'ব—

'ইমান তাৰিখ/মাহ/বছৰৰ আগলৈকে ভালে থাকিব।'

বা

'ইমান দিনৰ .... আগতে (পেকেট কৰা দিনৰ পৰা) ভালে থাকিব।'

বা

'ইমান দিনৰ আগতে (তৈয়াৰ কৰা দিনৰ পৰা) ভালে থাকিব।'

দ্রষ্টব্য (Note) ঃ

(a) খালী ঠাইবিলাক পূৰ কৰিব লাগিব।

(b) মাহ আৰু বছৰবোৰ সংখ্যাত উল্লেখ কৰিব লাগিব।

(c) বছৰৰ উল্লেখ দুটা সংখ্যাত কৰিব লাগিব।

(iii) এচপাৰটেমৰ পেকেটৰ (Aspartome) ভাল হৈ থকা তাৰিখ উল্লেখৰ সলনি ব্যৱহাৰৰ তাৰিখ বা শেষ উপযোগৰ তাৰিখ বা ম্যাদ উকলি যোৱা তাৰিখ উল্লেখ কৰিব লাগে। যিটো পেকিঙৰ তাৰিখৰ পৰা তিনি বছৰৰ বেছি হ'ব নালাগিব।

(iv) শিশুৰ গাখীৰ আৰু শিশু খাদ্যৰ ক্ষেত্ৰত আগতে ভালে থকা তাৰিখৰ সলনি ইমান তাৰিখলৈকে আপুনি ব্যৱহাৰ কৰিব পাৰিব বা ইমান তাৰিখলৈকেহে ম্যাদ আছে বস্তুবিধৰ এনেধৰণে খাদ্যৰ পেকেটত উল্লেখ কৰিব লাগে। অৱশ্যে ইমান তাৰিখৰ আগতে সামগ্ৰীবিধ ভালে থাকিব এই কথাটো তলত দিয়া সামগ্ৰীসমূহৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

(ক) মদ আৰু নিচাযুক্ত সুৰাৰ ক্ষেত্ৰত।

(খ) এলকহলযুক্ত সামগ্ৰীৰ ক্ষেত্ৰত যিবোৰত ১০ শতাংশতকৈ বেছি এলকহল সোমাই থাকে। আনহাতে, যিবোৰ কাৰ্বনযুক্ত পানীয়ৰ পূৰাই দিয়া বটলৰ ব্যৱস্থা থাকে সেইবোৰত ওপৰত উল্লেখিত নিয়মসমূহ লগাৰ বাহিৰে গড় ওজন, পুষ্টিজনিত তথ্য, তৈয়াৰ কৰোঁতাৰ নাম আৰু ঠিকনা, তৈয়াৰ কৰা তথ্য আৰু 'ইমানৰ আগতে ভালে থাকিব' আদিৰ উল্লেখ কৰিব নালাগে।

11. আমদানিকৃত খাদ্যৰ ক্ষেত্ৰত মূল দেশৰ নাম **(Country of origin for imported food)** ঃ

(i) ভাৰতলৈ আমদানিকৃত খাদ্যৰ ক্ষেত্ৰত মূল কোনখন দেশৰ পৰা খাদ্যবিধ ভাৰতলৈ আমদানি কৰা হৈছে সেই কথাটো উল্লেখ কৰিব লাগে।

(ii) যেতিয়া এবিধ খাদ্য এখন দ্বিতীয় দেশত প্ৰস্তুত কৰা হয় তেতিয়া সেই সংশ্লিষ্ট দ্বিতীয়খন দেশকেই খাদ্যবিধৰ প্ৰস্তুতকৰ্তা বুলি লেবেলত উল্লেখ কৰিব লাগিব।

12. ব্যৱহাৰৰ নিয়মাৱলী **(Instructions for use)** ঃ

(i) ব্যৱহাৰৰ নিয়মাৱলীৰ ভিতৰত পুনৰাৱৰ্তন ক'ত প্ৰযোজ্য হ'ব সেয়া লেবেলত উল্লেখ কৰিব লাগিব। সেয়া খাদ্যৰ সঠিক উপযোগিতাৰ বাবে যদি প্ৰয়োজন হয় কৰিব লাগিব।

১০.৭ ঘোষণা পদ্ধতি (MANNER OF DECLARATION)

১০.৭.১ সাধাৰণ নিয়মসমূহ (General Conditions)

1. যিকোনো তথ্য বা চিত্ৰৰে পৰিপূৰ্ণ তথ্য লিখিত, ছপা বা গ্ৰাফিক ৰূপত লেবেলৰ ওপৰত ছপা ৰাখিব লাগে যাতে এই নিয়মৰ আধাৰত কোনো বিবাদৰ সৃষ্টি নহয়।

2. প্ৰত্যেক ঘোষণা যিবোৰ এই আইনৰ অধীনত প্ৰয়োজন সেইবোৰ পেকেজত থাকিব লাগে। সেইবোৰ হৈছে—

(i) স্পষ্ট আৰু স্বচ্ছ, নির্দিষ্ট, সৰল আৰু অবিতর্কিত হ'ব লাগিব।

(ii) আকাৰৰ সংখ্যা আৰু ৰং স্পষ্ট হ'ব লাগিব।

(iii) ব্যৱহাৰযোগ্য দিশৰ পৰা যিমান দূৰ সম্ভৱ আখৰবোৰ গোট গোট, পৰিস্কাৰ আৰু দূৰৰ পৰাও সহজে স্পষ্টকৈ মনিব পৰা হ'ব লাগে। পেকেজত যি গ্ৰাফিক ডিজাইনৰ বস্তু ব্যৱহাৰ হয় সেয়া পেকেজৰ লেবেলৰ পশ্চদেশৰ ৰঙৰ সৈতে যাতে খাপখোৱা হয় তাৰ লক্ষ্য ৰাখিব লাগে।

ইয়াৰোপৰি আন কেইটামান কথা হ'ল—

(ক) গিলাচ বা প্লাষ্টিকৰ ওপৰত লেবেলৰ তথ্য লিখিবলৈ হ'লে য'ত লিখা হ'ব সেই ঠাইখিনি জিলিমিলিৰ নিচিনা হ'ব নালাগিব।

(খ) এটা পেকেজৰ এটা অংশ য'ত হাতে লিখা বা হাতৰ আখৰ ছপা কৰা হয় সেই অংশৰ ঘোষণাৰ আখৰ স্পষ্ট, অবিতর্কিত আৰু পঢ়নযোগ্য বুজি পোৱা বিধৰ হ'ব লাগে।

3. পেকেজত থকা কোনো পানীয়ৰৰ মাজেৰে যাতে আখৰসমূহ প্ৰতিবিম্বিত হৈ পঢ়িব নোৱাৰি সেই ব্যৱস্থাটো কৰিব লাগে।

4. য'ত এটা পেকেজ এটা বাহিৰা টেমা বা মেৰিওৱা কাগজেৰে প্ৰস্তুত কৰা হয়, তেনেকুৱা টেমা বা মেৰিওৱা কাগজত দৰকাৰী সকলো তথ্য সন্নিবিষ্ট কৰিব লাগে আৰু তাত ব্যৱহৃত আখৰবোৰ যাতে মানুহে স্পষ্টকৈ পঢ়িব পাৰে সেইটো লক্ষ্য ৰাখিব লাগে।

5. লেবেলবোৰত মিছা বা আসোঁৱাহপূর্ণ তথ্য দিব নালাগে ঃ এটা লেবেলত এনেকুৱা কোনো উক্তি, দাবী, আকৃতি, ৰংচঙীয়া নাম বা সংক্ষিপ্ত ৰূপ ব্যৱহাৰ কৰিব নালাগে যিবোৰ মিছা বা অতিৰঞ্জিত হয় বা যিবোৰ সংশ্লিষ্ট পেকেটৰ খাদ্যৰ তথ্যৰ লগত মিল নাই। এই তথ্য কাদ্যৰ গুণাগুণ ৰু পুষ্টি তথা খাদ্য প্ৰস্তুত কৰাৰ আচল ঠাই সম্পর্কীয় হ'ব পাৰে।

এই আইন ইতিমধ্যে মানুহৰ মাজত প্ৰতিষ্ঠত হোৱা বেকাৰী, বিস্কুট, মিঠাই যেনে— বাল্টি, চেনী, ক্ৰীম ক্ৰেকাৰ বা অধিক লুণীয়াযুক্ত পানী যেনে— আদাৰস বা গ'ল্ড স্পট বা যিকোনো আন্তর্জাতিক প্ৰতিষ্ঠিত ব্যৱসায়িক গোষ্ঠীৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

১০.৭.২ মুখ্য প্ৰদর্শনী ফলক (Principal display panel)

এই আইনৰ অধীনত তথ্যসমূহ পেকেজৰ টেমা বা পেকেজৰ ওপৰত মুখ্য প্ৰদর্শিত পেনেলৰ ওপৰত দিব লাগে। এনেকুৱা তথ্যবোৰ তলত দিয়া ধৰণে দিব লাগে।

(ক) গোটেই তথ্যবোৰ একেলগ কৰিব লাগে আৰু এঠাইত দিব লাগে।

বা

আগতে ছপা কৰা তথ্যসমূহ একেলগ কৰিব লাগে আৰু এঠাইত দিব লাগে আৰু

(খ) অনলাইন তথ্যসমূহ বা যিবোৰ আগতে ছপা কৰা নাই সেইবোৰ আন এঠাইত জমা কৰিব লাগে।

1. মুখ্য প্ৰদৰ্শিত পেনেলৰ কালি—

(a) আয়তাকৃতিৰ ক্ষেত্ৰত উৎপাদিত সামগ্ৰীৰ চল্লিছ শতাংশতকৈ ওখ আৰু বহল হ'ব লাগিব। ইয়াৰ কম হ'ব নালাগিব।

(b) গোটা চুঙাকৃতিৰ ক্ষেত্ৰত বা ঘূৰণীয়া বা ডিম্বাকৃতিৰ টেমাৰ ক্ষেত্ৰত উৎপাদিত সামগ্ৰীৰ বিছ শতাংশতকৈ কম বহল বা কম ওখ হ'ব নোৱাৰিব।

(c) যিকোনো আকৃতিৰ টেমাৰ ক্ষেত্ৰত মুঠ কালিৰ বিছ শতাংশৰ কম হ'ব নালাগিব। কিন্তু যি সমূহ টেমাৰ সুসংৰক্ষিত ধৰা বন্ধা লেবেল থাকে তেনেকুৱা পাত্ৰৰ ক্ষেত্ৰত মুঠ কালিৰ দহ শতাংশৰ কম হ'ব নোৱাৰিব।

যি পেকেজৰ মুখ্য প্ৰদৰ্শিত পেনেলৰ কালি পাঁচ কিউবিক ছেণ্টিমিটাৰ বা তাতকৈ কম হয় তেতিয়া মুখ্য প্ৰদৰ্শিত পেনেল হিচাপে কাড বা পেকেজৰ ক্ষেত্ৰত সংলগ্ন কৰি থোৱা টেপত এই আইনৰ অধীনত থকা নিয়মসমূহ সন্নিবিষ্ট কৰি ৰাখিব পাৰি।

১০.৮ বিশেষ প্ৰয়োজনীয়তা/ লেবেলিংৰ বিধি-নিষেধ SPECIFIC REQUIREMENTS/ RESTRICTIONS ON MANNER OF LABELING

১০.৮.১ (Labelling of infant milk substitute and infant food)

1. শিশুৰ গাখীৰ জাতীয় সামগ্ৰী এবিধৰ ক্ষেত্ৰত বা শিশু খাদ্যৰ ক্ষেত্ৰত যাৰ মানদণ্ড খাদ্য সুৰক্ষা আৰু মানদণ্ড আইন, ২০১১ৰ ভিতৰত অন্তৰ্ভুক্ত নহয়, (খাদ্য সামগ্ৰীৰ গুণাগুণ আৰু খাদ্যৰ লগত প্ৰয়োজনীয় অন্যান্য সামগ্ৰী) সেইবোৰ শিশু খাদ্যহে তৈয়াৰ কৰি বিক্ৰী, প্ৰদৰ্শন কৰি বিক্ৰী বা জমা কৰি বিক্ৰী কৰিব পাৰিব যেতিয়া সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা খাদ্য আৰু লেবেলিং সংক্ৰান্তীয় অনুমতি লাভ কৰিব পাৰিব।

2. লেবেলিঙৰ ক্ষেত্ৰত যিকোনো আইন সম্পৰ্কীয় কথা প্ৰতিটো শিশু খাদ্যৰ টেমাৰ ওপৰৰ আখৰবোৰ স্পষ্ট আৰু সহজে পঢ়িব পৰা ধৰণে সন্নিবিষ্ট কৰিব লাগে। তাত 'জৰুৰী জাননী' বুলি লিখি বৰফলাৰ আখৰত তলত দিয়া কথাবোৰ লিপিবদ্ধ কৰিব লাগে। সেইবোৰ হৈছে—

(i) এটা বাক্য 'মাকৰ গাকীৰ শিশুৰ কাৰণে উপযুক্ত' এইটো বৰফলাৰ

আখৰেৰে লিখিব লাগে। ইয়াৰ আখৰবোৰ পাঁচ মিলিমিটাৰতকৈ সৰু হ'ব নালাগিব আৰু এই বাক্যটো প্ৰত্যেক শিশু খাদ্যৰে টেমাৰ কেন্দ্ৰ ভাগত সকলোৰে চকুত পৰাকৈ লিখিব লাগে। বাক্যৰ ৰং লেবেলৰ পশ্চপটত থকা ৰঙতকৈ বেলেগ হ'ব লাগিব। শিশু খাদ্যৰ ক্ষেত্ৰত এটা বাক্য 'শিশু খাদ্য কেৱল ছয়মাহৰ পৰা দুবছৰীয়া শিশুৰ বাবেহে প্ৰয়োজনীয়। এই কথাটো তলত দিয়া ধৰণে সন্নিবিষ্ট কৰিব লাগে।

(ii) শিশু গাখীৰ বা শিশু খাদ্য সম্পৰ্কীয় এটা উক্তি এজন স্বাস্থ্যকৰ্মীৰ পৰামৰ্শক্ৰমে ইয়াৰ ব্যৱহাৰ আৰু সঠিক ব্যৱহাৰ সম্পৰ্কীয় কথা সন্নিবিষ্ট কৰিব লাগে।

(iii) কেৱল শিশু খাদ্যই শিশুৰ অকলশৰীয়া পুষ্টিদ্ৰব্য নহয়— এনেকুৱা সকীয়নি সন্নিবিষ্ট কৰিব লাগিব।

(iv) শিশু খাদ্য তৈয়াৰী বিধিসমূহ, শিশুৰ প্ৰয়োজনীয় সামগ্ৰীৰ প্ৰস্তুতকৰণ, বটল অৱশিষ্ট আৰু বিভিন্ন ধৰণৰ স্বাস্থ্য সম্পৰ্কীয় বিধিসমূহৰ বিষয়ে উল্লেখ কৰি এটা বাক্য উল্লেখ কৰিব লাগে আৰু সেয়া 'সকীয়নি— শিশু খাদ্য প্ৰস্তুতৰ ক্ষেত্ৰত পৰিস্কাৰ আৰু স্বাস্থ্যসম্মত পৰিৱেশ স্বাস্থ্যৰ কাৰণে প্ৰয়োজনীয়। নিৰ্দেশাৱলীত উল্লেখিত ধৰণে শিশুক খাদ্য যোগান ধৰিব। ইয়াৰ অন্যথা শিশুৱে পৰিপূৰ্ণ পুষ্টি লাভ কৰিব নোৱাৰিব। নিয়মাৱলীত উল্লেখিত ধৰণতকৈ বেছি পৰিমাণে শিশুক খাদ্য নিদিব। ইয়ে আপোনাৰ শিশুক পৰ্যাপ্ত পানীৰ পৰা বঞ্চিত কৰিব।'

(v) পুষ্টিবোৰৰ মোটামুটি মিশ্ৰণক প্ৰতি ১০০ গ্ৰাম হিচাপে ধৰি ইয়াৰ শক্তিৰ পৰিমাণ কিল' কেলৰি/জুলীয়া হিচাপত উলিয়াব লাগে।

(vi) জমা কৰি ৰখা পৰিৱেশৰ নিয়মখিনিত বিশেষকৈ 'অনুগ্ৰহ কৰি শুকান আৰু শীতল ঠাইত বতাহ বন্ধ টেমাত ৰাখিব' বা এনেকুৱা অইন বাক্য ব্যৱহাৰ কৰিব লাগে। (খোলাৰ পিছত সামগ্ৰীখিনি উল্লেখিত সময়ৰ ভিতৰত শেষ কৰিব লাগিব।)

(vii) খুওৱাৰ বিধি আৰু সম তালিকা উপলব্ধ কৰা উচিত।

(viii) চামুচৰ হিচাপ বিধি আৰু প্ৰতিখন চামুচৰ পৰিমাণ উল্লেখ কৰিব লাগে।

(ix) ইয়াৰ ক্ৰম নম্বৰ, মাহ আৰু বছৰ ক্ৰমে তৈয়াৰী আৰু ম্যাদ উকলা দুয়োটাৰে উল্লেখ থকা উচিত।

(x) প্ৰ'টিন যোগ্যতা অনুপাত (PER) যিটো নিম্নতম ২.৫ হোৱা উচিত যদি শিশু খাদ্যৰ নিৰ্ধাৰিত পৰিমাণতকৈ বেছি হয়।

(xi) খাদ্য সংযোগকাৰী বিশেষ উপাদানসমূহৰ নামো যদি অনুমতি দিয়া হয় তেন্তে উপযুক্ত শ্ৰেণীৰ নামৰ সৈতে ঘোষণা কৰা উচিত।

3. এই আইনৰ অধীনত কোনো শিশু খাদ্যৰ পেকেটৰ লেবেলত এটা শিশু বা এজনী তিৰোতা বা দুয়োজনৰে একেলগে ফটো দিব লাগিব বুলি নিয়ম আৰোপ কৰা নাই। লোভ লগা ধৰণে নিয়ম আৰোপ কৰা নাই। লোভ লগা ধৰণে ইয়াৰ ছবি বা অন্যান্য গ্ৰাফিক ডিজাইন সংলগ্ন কৰিব নালাগে। 'মানৱতা' বা 'মাতৃত্বধৰ্মী' বা এনেকুৱা যিকোনো সমান্তৰাল শব্দ ব্যৱহাৰ কৰিব নালাগে। শিশু খাদ্যৰ পেকেটত সম্পূৰ্ণ প্ৰ'টিন খাদ্য', 'শক্তিমূলক খাদ্য', 'সম্পূৰ্ণ খাদ্য', বা 'স্বাস্থ্যসম্মত খাদ্য' বা এনেকুৱা কোনো ধৰণৰ শব্দ বা বাক্য প্ৰকাশ কৰিব নালাগে।

4. শিশু গাখীৰৰ টেমাত সদ্য জন্মা কেঁচুৱা (যি ৩৭ সপ্তাহৰ আগতে জন্মিছে) নিম্ন ওজনৰ কেঁচুৱা (যি ২৫০০ গ্ৰামতকৈ কম ওজনৰ) বা লেবেলত তলত দিয়া অতিৰিক্ত তথ্যসমূহ দিয়াটো জৰুৰী—

   (i) শব্দবোৰ (সদ্য জন্মা কেঁচুৱা (৩৭ সপ্তাহৰ আগতে) কম ওজন (২.৫ কিলোগ্ৰামতকৈ কম) বৰফলাৰ লিখিব লাগে আৰু কেন্দ্ৰভাগত বস্তুৰ নাম লিখিব লাগে।

   (ii) 'কম ওজনৰ কেঁচুৱাৰ গাখীৰৰ পৰিপূৰক এনে জাতীয় বাক্যবোৰ মাকৰ গাখীৰ উপযুক্ত পৰিমাণে থকালৈকে চিকিৎসাবিজ্ঞানৰ পৰামৰ্শমতে প্ৰত্যাহাৰ কৰিব লাগে' আৰু

   (iii) এটা বাক্য 'চিকিৎসাবিজ্ঞানৰ পৰামৰ্শ অনুসৰি' সদায় বৰফলাৰ আখাৰত লিখিব লাগে।

5. যিটো পণ্যত গাখীৰ নাথাকে বা গাখীৰৰ কোনো সামগ্ৰীও নাথাকে তাৰ লেবেলত 'ইয়াত কোনো গাখীৰ বা গাখীৰৰ পণ্য' নাই জাতীয় ঘোষণা থাকিব লাগে।

6. শিশু কেঁচুৱাৰ গাখীৰৰ টেমাত 'লেক্টে'জ মুক্ত', 'চুক্ৰ'জমুক্ত' বা 'লেক্টে'জ আৰু চুক্ৰ'জ মুক্ত' শীৰ্ষক কথাবোৰ বৰফলাৰ আখৰেৰে লিখিব লাগে আৰু 'চিকিৎসকৰ পৰামৰ্শক্ৰমে ল'ব' শীৰ্ষক বাক্যটোও একেদৰে লিখিব লাগে। ইয়াত তলত দিয়া বাক্যবোৰো সোমাব— 'লেক্টে'জমুক্ত শিশু খাদ্য গাখীৰৰ পৰিপূৰক হিচাপ ডায়েৰীয়াৰ বাবে ব্যৱহাৰ কৰা হয় লেক্টে'জৰ আধিক্যৰ বাবে। লেক্টে'জ মুক্ত বা চুক্ৰ'জ মুক্ত গাখীৰৰ পৰিপূৰক আধিক্যৰ লক্ষণৰ পৰা মুক্ত নহ'লে পৰিত্যাগ কৰা উচিত।'

7. কেঁচুৱাৰ গাখীৰৰ পৰিপূৰক খাদ্যৰ টেমাত য'ত গৰু/ম'হৰ গাখীৰৰ প্ৰ'টিন বা ছ'য়া প্ৰ'টিন 'মাকে তাত লেবেলত 'হাইপো এলাৰজেনিক ফৰ্মূলা' বুলি বৰফলাৰ আখৰত উল্লেখ কৰিব লাগিব আৰু 'চিকিৎসকৰ পৰামৰ্শ অনুসৰি গ্ৰহণ কৰিব'। বাক্যশাৰী তেনেদৰে লিখিব লাগে।

8. বাক্যৰ শাৰীৰে আবদ্ধ ঘোষণা ঃ 'কেঁচুৱাৰ বাবে অনুপযুক্ত' শীৰ্ষক বাক্যটো ঘূৰণীয়া এডাল ৰেখাৰে আবৃত হ'ব লাগে।

(i) আবদ্ধ ৰেখাৰ দূৰত্ব ঃ কেঁচুৱাৰ বাবে অনুপযুক্ত 'শীৰ্ষক বাক্যটোত যিকোনো শব্দৰ মাজত দূৰত্ব ১.৫ মিঃ মিঃতকৈ কম হোৱা উচিত নহয়।

১০.৮.২ খোৱা তেল আৰু চৰীজাত খাদ্যৰ লেবেলিং (Labelling of edible oils and fats)

1. ভোজ্য লে আৰু চৰীজাত দ্রব্যৰ ক্ষেত্রত 'চুপাৰ ৰিফাইননড', "এব্রট্রা ৰিফাইন্ড', 'মাইক্রো ৰিফাইন্ড', 'ডাবল ৰিফাইন্ড', 'আলট্রা ৰিফাইন্ড', 'এণ্টি কলষ্ট্রল', 'কলষ্ট্রল ফাইটাৰ', 'চুথিং টু হার্ট', 'কলষ্ট্রল ফ্রেইণ্ডলি', 'চেটুৰড ফেট ফ্রী' বা এনেকুৱা যিকোনো বাক্যৰ প্রকাশভঙ্গী যিটো এনেকুৱা পণ্যৰ বিৱৰণৰ অতিৰঞ্জিতা প্রকাশ কৰে ব্যহা কবি নালাগে।
2. প্রত্যেক টেমাত য'ত খোৱা তেল বা ময়দা গোটবদ্ধ কৰি বিক্রী কৰাৰ বাবে ৰাখি থোৱা হ'ব সেইবোৰ বিক্রীৰ সময়ত উৎপাদনকর্তাই তলত দিয়া তথ্যসমূহ ইংৰাজী বা হিন্দীত লিখিব লাগিব। (দেৱনাগৰী লিপি)—
   (i) নাম, ব্যৱসায়ৰ নাম, খোৱা তেল বা ময়দাৰ বিৱৰণ আদি বিৱৰণটো এনেকুৱা হ'ব—
   (ii) তেলৰ ক্ষেত্রত 'বিশুদ্ধ' মানদণ্ড মানি নচলিলে খাদ্য সুৰক্ষা আৰু মানদণ্ড আইনৰ, ২০১১ৰ ২.২.৬ (১) দফা মতে বনস্পতি আৰু ভিজিটেবল অইলৰ ক্ষেত্রত ৫০ মিলিলিটাৰতকৈ কম হ'লে নহ'ব। এইটো লেবেলৰ ক্ষেত্রত এনেদৰে দিব লাগিব—
   (ক) 'পোনপটীয়াকৈ খোৱাৰ বাবে নহয়'— 'অর্ধ পৰিশোধিত' বা 'কেঁচা-গ্রেড ১' স্তৰৰ তেলৰ বাবে আইনৰ ২.২.৬ দফা মতে লিখিব লাগিব।
   (১) খাদ্য সুৰক্ষা মানদণ্ড (খাদ্য পণ্য মানদণ্ড আৰু খাদ্য সংলগ্ন উপকৰণ) আইন, ২০১১।
   (খ) 'ঔদ্যোগিকৰণৰ বাবে অখাদ্য উপযোগৰ বাবে' এইক্ষেত্রত এই নিয়মৰ ব্যতিক্রম হ'ব (ক) ওপৰত।
   (iii) উৎপাদনকর্তাৰ নাম আৰু ব্যৱসায়িক তথ্যসমূহ।
   (iv) গোটত থকা সামগ্রীসমূহৰ গড় ওজন।
   (v) গোট নম্বৰ, তৈয়াৰী মাহ আৰু বছৰৰ নাম।
   ঔদ্যোগিকৰণৰ তেল ঘাইকৈ ৰে'লৰ ডবা বা ৰাস্তাৰ টেঙ্কাৰেৰে কঢ়িওৱা হয় য'ত খোৱা ময়দা, জাহাজ বা মালগাড়ীৰে কঢ়িওৱা হয়। ইয়াৰ লগত সংশ্লিষ্ট নথি-পত্রসমূহ থাকিব লাগে।
3. ঔদ্যোগিক তেলৰ ক্ষেত্রত তৈয়াৰকর্তাই বিক্রীৰ সময়ত ভাৰতীয় মানদণ্ড অনুষ্ঠানৰ চিহ্ন দেখুৱাব লাগে।
4. প্রত্যেক গোটতে য'ত বনস্পতি, বেকাৰী বস্তুত, ভোজ্য তেল, বিশুদ্ধ ভোজ্য

তেল আদি থাকে সেইবোৰ বস্তুৰ লেবেলিঙৰ ক্ষেত্ৰত হিন্দী আৰু ইংৰাজী ভাষাৰ সমাৱেশ থাকিব লাগে—

(ক) সামগ্ৰীৰ নাম আৰু বৰ্ণনা, 'আৰ্গিমনী তেলৰ পৰা পৃথক।'

(খ) সামগ্ৰীৰ প্ৰকাৰ।

5. বিশুদ্ধ পাচলিৰ তেলৰ ক্ষেত্ৰত প্ৰত্যেক গোটত তলত দিয়া ধৰণে লেবেলত নাম থাকিব লাগে—

বিশুদ্ধ (তেলৰ নাম) তেল Refined (name of the Oil) Oil

আমদানিকৃত খোৱা তেলৰ ক্ষেত্ৰত 'আমদানি' শব্দৰ উল্লেখ থাকিব লাগে।

6. পাম'লিন বা বাদামৰ তৈয়াৰী তেলৰ ক্ষেত্ৰত তলত দিয়া লেবেলৰ নিচিনাকৈ বস্তুটোত উল্লেখ থাকিব লাগে।

পাম'লিন আৰু বাদামী তেল Blend of Palmolein and Groundnut

পাম'লীন — শতাংশ

বাদাম — শতাংশ

7. আমদানিকৃত তৈলবীজ সম্পন্ন মিঠাতেলৰ লেবেল এনেকুৱা হ'ব লাগে।

আমদানিকৃত সৰিয়হৰ তেল Blend of imported rape-seed oil and Mustard Oil

আমদানিকৃত মিঠাতেল — শতাংশ

আমদানিকৃত মিঠাতেল — শতাংশ

মিঠাতেল — শতাংশ

8. যিকোনো বনস্পতিৰ তেলত ৩০ শতাংশ ৰাইচ ব্ৰান তেল থাকে আৰু ইয়াৰ লেবেল এনে হ'ব লাগে—

এই বনস্পতিৰ পেকেজটো ওজনত

৩০ শতাংশৰ বেছি ৰাইচ ব্ৰেন তেলেৰে নিৰ্মিত

9. চৰ্বী প্ৰত্যেক পেকেজত এনেদৰে থাকে—

গাখীৰ চৰ্বী

ব্যৱহাৰ কৰিব

পেকিঙৰ তাৰিখ

মুঠ গাখীৰৰ চৰ্বী ওজন শতাংশ

মিশ্ৰ চৰ্বী

ব্যৱহাৰ কৰিব

পেকিঙৰ তাৰিখ

ওজনৰ শতাংশ

গাখীৰজাত চৰ্বীৰ পৰিমাণ

শাক-পাচলিজাত চৰ্বী

বাৱহাৰ কৰিব

পেকিঙৰ তাৰিখ

মুঠ চৰীৰ পৰিমাণ ওজন হিচাপত

10. বিশেষ ৰঙেৰে চিহ্নিত পাচলিজাত তেলত তলত দিয়া ধৰণে লেবেল থাকিব লাগে—

বিশেষ ৰং তেলত ব্যৱহাৰ হৈছে (তেলৰ নাম)
Annatto colour in oil (Name of oil/oils) used

11. খোৱা তেলত কিবা মিশ্রণ ব্যৱহৃত হ'লে সেইবোৰ তলত দিয়া ধৰণে লেবেলত উল্লেখ থাকিব লাগে—

এইটো পাচলিজাত তেলত তলত দিয়া ধৰণে মিশ্রণসমূহ ব্যৱহৃত হৈছে—

(i) — % ওজন মর্মে

(ii) — % ওজন মর্মে

(সংশ্লিষ্ট পাচলিজাত তেলৰ নাম আৰু প্রকৃতি, শুদ্ধ আৰু অশুদ্ধভাৱে)

পেকিঙৰ তাৰিখ —

তলত দিয়া ঘোষণাটো বৰফলা আৰু মতা আখৰেৰে চিহ্নিত কৰিব লাগে

খোলা অৱস্থাত বিক্রী নহয় Not to be sold loose

১০.৮.৩ অনুমতিপ্রাপ্ত খাদ্যৰ ৰঙৰ লেবেলিং (Labelling of permitted food colours)

1. কোনো ব্যক্তিয়ে অনুমতিপ্রাপ্ত ছিন্থেথিক খাদ্যৰ ৰং ঘৰুৱা ব্যৱহাৰৰ বাবে বিক্রী আৰু খাদ্যত ব্যৱহাৰ কৰিব নোৱাৰিব যদিহে ইয়াৰ টেমাত তলত দিয়া কথাবোৰ নাথাকে—
   (i) 'খাদ্য ৰং' বুলি উল্লেখিত শব্দটো।
   (ii) সংশ্লিষ্ট ৰঙবোৰৰ ৰাসায়নিক, ব্যৱসায়িক আৰু সাধাৰণভাৱে ব্যৱহৃত নামৰ তালিকা।
2. কোনো ব্যক্তিয়ে অনুমতিপ্রাপ্ত ছিন্থেথিক খাদ্যৰ ৰঙৰ মিশ্রণ ব্যৱহাৰৰ বাবে বা খাদ্যৰ বাবে বিক্রী কৰিব নোৱাৰে যদিহে ইয়াৰ টেমাবোৰৰ লেবেলত—
   (i) 'খাদ্যৰ ৰঙৰ মিশ্রণ' শব্দটো নাথাকে।
   (ii) মিশ্রণত থকা ৰাসায়নিক, সাধাৰণ আৰু ব্যৱসায়িক নাম আৰু ৰঙৰ তালিকা থাকিব লাগে।
3. কোনো ব্যক্তিয়ে এবিধ অনুমতিপ্রাপ্ত ছিন্থেথিক খাদ্যৰ ৰঙৰ মিশ্রণ বিক্রী কৰিব নোৱাৰে সেয়া ঘৰুৱা ব্যৱহাৰ বা খাদ্যৰ বাবেই হওঁক যদিহে ইয়াৰ টেমাৰ লেবেলত

তলত দিয়া কথাবোৰ নাথাকে—

(i) খাদ্যৰ ৰঙৰ প্ৰস্তুতকৰণ শব্দ।

(ii) প্ৰক্ৰিয়াত ব্যৱহৃত বিভিন্ন উপাদানৰ নাম।

১০.৯ সামগ্ৰীৰ লেবেলিংৰ কিছুমান বিশেষ বিধি-নিষেধ SPECIFIC RESTRICTIONS ON PRODUCT LABELS

1. **লেবেলবোৰত আইন সম্পৰ্কীয় কোনো তথ্য সন্নিবিষ্ট কৰিব নোৱাৰিব (Labels not to contain reference to Act or rules or regulations contradictory to required particulars)** ঃ লেবেলত আনৰ বিষয়ে কোনো তথ্য, মতামত, ব্যাখ্যা আন কিবা ঘোষণা থাকিব নোৱাৰিব যাৰ দ্বাৰা কিবা বিতৰ্ক সৃষ্টি হোৱাৰ অবকাশ থাকে।

2. **লেবেলবোৰত চিকিৎসা সেৱাৰ লগত জড়িত ব্যক্তিৰ পৰামৰ্শ সন্নিবিষ্ট কৰিব নোৱাৰিব (Labels not to use words implying recommendations by medical profession)** ঃ বিক্ৰীৰ কাৰণে ৰখা খাদ্যৰ পেকেটত 'চিকিৎসা সেৱাৰ দ্বাৰা অনুমোদিত এনেধৰণৰ কোনো বাক্য যাৰ জৰিয়তে খাদ্যবিধ কোনো চিকিৎসা সেৱাৰ দ্বাৰা অনুমোদিত প্ৰমাণিত হয় ব্যৱহাৰ কৰিব নালাগে।

3. **বিনা অনুমোদিত শব্দ বিশেষকৈ নকল শব্দৰ প্ৰয়োগ নিষিদ্ধ (Unauthorized use of words showing imitation prohibited)** ঃ

   (a) যিকোনো খাদ্যৰ পেকেটৰ লেবেলত নকল জাতীয় শব্দৰ প্ৰয়োগ কৰিব নালাগে যাতে খাদ্যবিধ আন খাদ্যৰ পৰিপূৰক হিচাপে চিহ্নিত নহয়, অৱশ্যে আইনে নিৰ্দিষ্ট কৰি দিয়া শব্দসমূহ ইয়াৰ আওতাত নপৰে।

   (b) যিকোনো ফলৰ ঔষধ, ফলৰ ৰস, ফলৰ জলপান, ফলৰ গুড়ি বা আন যিকোনো ফল জাতীয় পণ্য যিবোৰ খাদ্য সুৰক্ষা আৰু মানদণ্ড আইন, ২০১১ ৰ আঁওতাৰ ভিতৰত উৎপাদিত হৈছে সেইবোৰত যদি নিৰ্দিষ্ট পৰিমাণৰ ফলৰ ৰস, ফলৰ টুকুৰা বা আঁহ আদি পোৱা নাযায় তেন্তে সেইবোৰ ফলৰ ৰস, ফলৰ জলপান বুলি গণ্য নহ'ব।

   (c) যিকোনো খাদ্য পণ্যৰ ক্ষেত্ৰত য'ত নিৰ্দিষ্ট পৰিমাণৰ পল নাথাকে আৰু গ্ৰাহকক পণ্যবিধত ফল থকা বুলি মিছা কথাৰে বিভ্ৰান্ত কৰা হয় সেয়া শব্দ অথবা চিত্ৰৰ যিহেৰে নহওঁক সেয়া লেবেলত 'সংযুক্ত (ফলৰ নাম) গোন্ধ'।

   (d) যিকোনো খাদ্য পণ্যৰ ক্ষেত্ৰত য'ত কেৱল ফলৰ সুগন্ধহে থাকে যিটো প্ৰাকৃতিক সুগন্ধ আৰু প্ৰাকৃতিক সুগন্ধযুক্ত সামগ্ৰীৰ লগত কৃত্ৰিম সুগন্ধযুক্ত সামগ্ৰীসমূহ একক বা যৌথ হিচাপে সংযুক্ত হৈ থাকে সেইবোৰক ফলজাত পণ্য বুলি ক'ব নোৱাৰি আৰু তাত 'সংযুক্ত' (ফলৰ নাম) সুগন্ধৰ কথাটো এনেকুৱা পণ্যৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰি।

(e) কার্বনযুক্ত পানী য'ত কোনো ফলৰ ৰস বা ফলৰ আঁহ নাথাকে তাত এই সম্পর্কীয় কোনো লেবেল থাকিব নালাগে যাতে গ্রাহকে ইয়াক ফলজাত পণ্য বুলি ভাবি নলয়।

(f) যিকোনো ফল বা শাক-পাচলিজাত পণ্যৰ ক্ষেত্রত য'ত ভিটামিন C থাকে সেইবোৰ ক্ষেত্রত সংশ্লিষ্ট পণ্যবিধৰ প্রতি 100 গ্রাম এচকৰবিক এচিডৰ লগত কমেও 40 মিঃগ্রাঃ ভিটামিন C থাকিব লাগে।

4. **নকলৰ ক্ষেত্রত 'বিশুদ্ধ' শব্দেৰে চিহ্নিত কৰিব নালাগে (Imitations not to be marked "pure")** ঃ 'বিশুদ্ধ' শব্দটো বা ইয়াৰ লগত সাদৃশ্য থকা যিকোনো শব্দ এটা পেকেজৰ লেবেলত ব্যৱহাৰ কৰিব নালাগে। যিটোৱে যিকোনো খাদ্যৰ একপ্রকাৰৰ নকলীকৰণক বুজায়।

5. **খোৱা পানীৰ ক্ষেত্রত থকা লেবেলিং সম্পর্কীয় নিষেধাজ্ঞাসমূহ (পেকেজজাত আৰু বিশুদ্ধ দুয়োবিধ পানীৰ ক্ষেত্রত) [Labelling prohibitions for Drinking Water (Both Packaged and Mineral Water)]** ঃ

(i) কোনো ধৰণৰ ঔষধযুক্ত দাবী পণ্যবিধৰ সামগ্রীৰ ক্ষেত্রত যিবোৰ গ্রাহকৰ স্বাস্থ্যৰ মানদণ্ডৰ দাবীৰ লগত জড়িত উল্লেখ কৰিব নোৱাৰিব।

(ii) কোনো এখন স্থানীয় ঠাইৰ নামে ব্যৱসায়ৰ নামক নুবুজায় যদিহে সংশ্লিষ্ট ব্যৱসায়ৰ নামেৰে পেকেজজাত পানী এখন ঠাইত সংগ্রহ কৰা হৈছে।

(iii) যিকোনো উক্তি বা যিকোনো চিত্রযুক্ত বার্তাই যিয়ে ৰাইজৰ মনত খেলিমেলিৰ সৃষ্টি কৰিব পাৰে সংশ্লিষ্ট পানীখিনিৰ মূল, মিশ্রণ আৰু গুণাগুণৰ বিষয়ে তেনেধৰণৰ পানীৰ বিক্রী তৎকালে বন্ধ হ'ব।

১০.১০ লেবেলিংৰ ক্ষেত্রত দিয়া ৰেহাই EXEMPTIONS FROM LABELLING REQUIREMENTS

1. পেকেজৰ কাৰণে যিবোৰ ঠাই ১০০ বর্গ ছেঃমিঃতকৈ কম হয় তেনেকুৱা পেকেজৰ লেবেলত মিশ্রণৰ তালিকা, কোড নম্বৰ, পুষ্টিজনিত তথ্য আৰু ব্যৱহাৰৰ নিয়ম আদি দিয়াৰ ক্ষেত্রত ৰেহাই আছে যদিও পাইকাৰে পেকেজত এই তথ্যসমূহ সন্নিবিষ্ট কৰা উচিত।

2. ৩০ বর্গছেঃমিঃতকৈ কম কালি থকা ঠাইৰ পেকেজত 'ম্যাদ উকলাৰ সময়সীমা উল্লেখ নাথাকিলেও হয় যদিও পাইকাৰী পেকেজত ইয়াৰ বিষয়ে উল্লেখ থাকিব লাগিব।

3. বটলত বিক্রী কৰা পানীয়জাত পণ্যৰ ক্ষেত্রত যদি বটলবোৰ পুনৰ ব্যৱহাৰ বা পুনৰ পূর্ণ কৰাৰ সুবিধা থাকে তেন্তে উপাদানৰ তালিকা নিদিলেও কিন্তু আমিষ বা নিৰামিষ খাদ্যৰ ক্ষেত্রত এই নিয়মবোৰ কিন্তু লেবেলত দিব লাগিব। ১৯ মার্চ, ২০০৯ ৰ পিছত প্রস্তুত কৰা গ্লাচৰ বটলৰ ক্ষেত্রত উপাদান আৰু পুষ্টিজনিত তথ্যৰ তালিকা দাখিল কৰিব লাগিব।

4. সাত দিনৰ কম আয়ু থকা খাদ্যৰ ক্ষেত্ৰত 'তৈয়াৰী তাৰিখ' উল্লেখ নকৰিলেও পেকেজজাত খাদ্যৰ ক্ষেত্ৰত অসুবিধা নহয়, কিন্তু 'ইমান তাৰিখত ব্যৱহাৰ কৰিব লাগিব সেইটো তৈয়াৰতকৈ বা পেকিং কৰোঁতাই উল্লেখ কৰিব লাগিব।
5. পাইকাৰী পেকেজবোৰৰ ক্ষেত্ৰত উপাদানৰ তালিকা, তৈয়াৰী তাৰিখ, ইমানৰ আগলৈকে ভাল, ম্যাদ উকলা তাৰিখৰ লেবেলিং আৰু আমিষ /নিৰামিষৰ প্ৰতীক চিহ্নৰ কথা উল্লেখ নকৰিলেও হ'ব।



অগ্ৰগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্ৰশ্ন নং ৩ঃ এবিধ এনে বস্তুৰ নাম কওঁক যাক লেবেলিঙৰ প্ৰয়োজন নহয়।

.....

.....

প্ৰশ্ন নং ৪ঃ বিক্ৰী কৰোঁতাই কোনো এবিধ খাদ্যত কৃত্ৰিম খাদ্যত দিয়া ৰং ব্যৱহাৰ কৰিলে তাৰ টেমাটোত কি কথা উল্লেখ কৰিব লাগে?

.....

.....



১০.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- দুগ্ধ আৰু দুগ্ধজাত পণ্যৰ পেকেজিঙৰ বাবে দৰকাৰী নিয়মসমূহ।
- ফল আৰু শাক পাচলিজাত পণ্যৰ পেকেজিঙৰ বাবে দৰকাৰী নিয়মসমূহ।
- কেনবদ্ধ মাংসজাত পণ্যৰ পেকেজিঙৰ বাবে দৰকাৰী নিয়মসমূহ।
- পেকেজজাত আৰু মিনাৰেল দুয়োবিধ খোৱা পানীৰ পেকেজিঙৰ বাবে দৰকাৰী নিয়মসমূহ।
- আগতে প্ৰস্তুত কৰা খাদ্যৰ বাবে কৰা লেবেলিঙৰ নিয়মসমূহ।
- যিসমূহ পণ্যৰ বাবে লেবেলিঙৰ প্ৰয়োজনীয়তা ৰেহাই দিয়া হৈছে।



১০.১২ অধিক জানিবলৈ (FURTHER READINGS)

1) The Food Safety and Standards Act, 2006 along with Rules and Regulations 2011, Commercial Law Publishers (India) Pvt. Ltd.

2) Dev Raj, Sharma, K. & Joshi, V.K. (2011). "Quality Control for Value Addition in Food Processing" New Indian Publishing Agency, New Delhi

3) Mudambi, S.R., Rao, S.M. & Rajagopal M.V. (2006). "Food Science New Age International (P) Ltd., New Delhi



১০.১৩ অগ্ৰগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্ৰশ্নৰ উত্তৰঃ 'মুখ্য প্ৰদৰ্শিত ফলক' বুলিলে সেইটো টেমা বা পেকেজক বুজা যায় যিটো গ্ৰাহকৰ দ্বাৰা পৰীক্ষা কৰা বা চোৱা হয় আৰু এক প্ৰকাৰৰ স্বাভাৱিক তথা বন্ধুত্বপূৰ্ণ পৰিৱেশত টেমাৰ ভিতৰত থকা সামগ্ৰীবিধ বিভিন্ন অৱস্থাত চোৱা, বিক্ৰী বা ক্ৰয় কৰা হয়।

২ নং প্ৰশ্নৰ উত্তৰঃ পেকেজৰ খোৱা পানী পৰিস্কাৰ, ৰংবিহীন, স্বচ্ছ আৰু নষ্ট নোহোৱা পলিথিনৰ বটল/টেমাত ভৰাব লাগে যাতে পানীখিনিৰ বিষক্ৰিয়া নহয়।

৩ নং প্ৰশ্নৰ উত্তৰঃ সাতদিনৰ কম আয়ুস থকা খাদ্যৰ ক্ষেত্ৰত 'তৈয়াৰী তাৰিখ'ৰ প্ৰয়োজন নহয় লেবেলত লগাবলৈ কিন্তু তৈয়াৰ কৰোঁতা বা পেকিং কৰোঁতাই 'ইমান তাৰিখত ব্যৱহাৰ কৰিব' কথাটো উল্লেখ কৰিব লাগে।

৪ নং প্ৰশ্নৰ উত্তৰঃ ছিন্থেথিক খাদ্য ৰং খাদ্য পণ্যত ব্যৱহাৰ কৰিলে তাৰ টেমাটোত তলত দিয়া ধৰণে কিছুমান কথা উল্লেখ থাকিব লাগে।

(i) 'খাদ্যৰ ৰঙৰ মিশ্ৰণ' শব্দকেইটা।

(ii) মিশ্ৰণটোত থকা বিভিন্ন ৰাসায়নিক যৌগসমূহৰ নামৰ তালিকা।



১০.১৪ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

প্ৰশ্ন ১ঃ পাইকাৰী পেকেজৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ঃ লেবেলিঙৰ কাৰণে সাধাৰণতে কি কি নিয়মৰ প্ৰয়োজন?

প্ৰশ্ন ৩ঃ খোৱা তেল আৰু চৰীজাত পণ্যৰ লেবেলিঙৰ নিয়মসমূহ আলোচনা কৰক।

প্ৰশ্ন ৪ঃ আগতে তৈয়াৰ কৰা খাদ্যৰ ক্ষেত্ৰত পুষ্টিজনিত তথ্যসমূহ কি কি?

প্ৰশ্ন ৫ঃ ফল আৰু শাক-পাচলিজাত পণ্যৰ ক্ষেত্ৰত পেকেজিঙৰ বাবে প্ৰয়োজনীয় নিয়মসমূহ কি কি? আলোচনা কৰক।

*** ***** ***